# ঈশ্বৰৰ আত্মিক বৰবিলাক বুজা

আত্মিক বৰবিলাক ব্যৱহাৰ মৌলিক নিৰ্দেশবোৰ পৌল তীমথিয়ৰ চলাওঁতাৰ প্ৰশিক্ষণ কিতাপত দিয়া আছে, আপোনাৰ মণ্ডলীৰ লোকবিলাকৰ আত্মিক বৰবিলাক আছে। যদিহে আপুনি সেই কিতাপ এতিয়াও পঢ়া নাই, তেনেহলে এতিয়া পঢ়ক।

## ১। আত্মিক বৰবিলাক বৰ্ণনা কৰা বাইবেলৰ অংশবিলাক চাওঁক



আটাই খ্ৰীষ্টিয়ান বিশ্বাসীসকলক পৰস্পৰৰ পৰিচৰ্য্যা কৰাৰ বিশেষ দক্ষতা ঈশ্বৰে দিয়ে বুলি নতুন নিয়মৰ পত্ৰ কেইখনে প্ৰকাশ কৰে। মণ্ডলী বিলাকলৈ এনে কিছুমান ব্যক্তিক ঈশ্বৰে পঠিয়ায়।

**১ পিতৰ** ৪:১০-১১ পদত ঈশ্বৰে বিশ্বাসীসকলক দিয়া দুই ধৰণৰ প্ৰধান বৰবিলাক চাওঁক।

প্ৰতিজনে যেনেকৈ যি অনুগ্ৰহৰ বৰ পালে, তেনেকৈ তাৰে ঈশ্বৰৰ বহুবিধ অনুগ্ৰহৰূপ ধনৰ উত্তম ভঁৰালীৰ দৰে, তোমালোকে পৰস্পৰে সেৱা শুশ্ৰূষা কৰা, কোনোৱে যদি কথা কয়, তেওঁ ঈশ্বৰৰ বচন সমূহৰ দৰে কওঁক, কেনোৱে যদি সেৱা শুশ্ৰূষা কৰে, তেন্তে ঈশ্বৰে দিয়া শক্তিৰ দৰে কৰক, এইদৰে যেন সকলো বিষয়তে যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰ মহিমান্বিত হয়, তেওঁৰেই মহিমা আৰু পৰাক্ৰম সদা সৰ্বদায় হওঁক। আমেন।

*(উত্তৰ ঃ পিতৰে উল্লেখ কৰা দুটা প্ৰধান কামবোৰ ঃ*

*১। **কথা কোৱা** (আনক ঈশ্বৰৰ সত্যতা কোৱা)*

*২। **সেৱা শুশ্ৰূষা কৰা** (আনক ঈশ্বৰৰ প্ৰেম দেখুওৱা))*

**ইফিচীয়া ৪:১০-১২** প্ৰকাশ কৰে যে মণ্ডলীৰ বিভিন্ন পৰিচৰ্য্যাত বিশ্বাসীসকলক সুসজ্জিত কৰিবলৈ ঈশ্বৰে মানুহো দিয়ে। **ইফিচীয়া** ৪:১১ পদত পাঁচ প্ৰকাৰৰ বৰপ্ৰাপ্ত লোকক চাওঁক ঃ

পৰিচৰ্য্যা কৰ্ম সাধন কৰিবলৈ আৰু খ্ৰীষ্টৰ শৰীৰ বৃদ্ধি কৰিবলৈ, পবিত্ৰবিলাকৰ সিদ্ধিৰ অৰ্থে, তেওঁ কিছুমানক পাঁচনি, কিছুমানক ভাববাদী, কিছুমানক শুভবাৰ্তা প্ৰচাৰক, কিছুমানক ৰক্ষক আৰু শিক্ষক হবলৈ দিলে।

*(উত্তৰ ঃ পাঁচ ধৰণৰ লোক তলত দিয়া হ'ল।)*

*১। **পাঁচনি** (যিবিলাকে মণ্ডলী স্থাপন কৰে)।*

*২। **ভাববাদী** (যিবিলাকে ঈশ্বৰৰ সত্যতা প্ৰচাৰ কৰে)।*

*৩। **শুভবাৰ্ত্তা প্ৰচাৰক** (যিবিলাকে শুভবাৰ্ত্তা কয়)।*

*৪। **পালক** (যিবিলাকে মণ্ডলীক চলায়)।*

*৫। **শিক্ষক** (যিবিলাকে প্ৰভুৰ আজ্ঞা পালন কৰাত আনক সহায় কৰে)।*

আত্মিক বৰপ্ৰাপ্ত বিশ্বাসীয়ে উচিত ভাবেৰে আনৰ পৰিচৰ্য্যা কৰিব লাগে। সেই বিষয়ে ৰোমীয় ১২ অধ্যায়ে শিকায়। কোনো কোনো বিশ্বাসীৰ সাতোটা আত্মিক বৰ থকা উদাহৰণ **ৰোমীয়া ১২:৬-৮** পদত চাওঁক।

"কিন্তু আমাক দিয়া অনুগ্ৰহৰ দৰে, আমি পৃথক পৃথক অনুগ্ৰহৰ বৰপ্ৰাপ্ত হোৱাত সেই বৰ যদি ভাববাণী হয়, তেন্তে বিশ্বাসৰ পৰিমাণেৰে তাকে কওঁহক, যদি পৰিচৰ্য্যাৰ ভাৰ হয়, তেন্তে পৰিচৰ্য্যাতে থাকোঁহক, বা শিক্ষা দিওঁতাই শিক্ষা দিয়া কাৰ্য্যত, বা উদগাওঁতাই উদগোৱা কাৰ্য্যত থাকক, দান দিওঁতাই দানশীলতাৰে দান কৰক, শাসন কৰা জনে যত্নেৰে শাসন কৰক, দয়া কৰা জনে হৰ্ষিত মনেৰে দয়া কৰক।"

*(উত্তৰ ঃ সাতবিধ বৰৰ তালিকা তলত দিয়া হ'ল।)*

*১। **ভাববাণী** (১ কৰিন্থীয়া ১৪:৩ আৰু ২৪ পদত লিখাৰ দৰে পৰস্পৰে ঈশ্বৰৰ সত্যতা কোৱা)।*

*২। **পৰিচৰ্য্যা** (১ কৰিন্থীয়া ১২:২৮ পদত সহায় কৰা বুলি কৈছে)।*

*৩। **শিক্ষা দিয়া** (পৰস্পৰৰ পৰিচৰ্য্যা কৰাত বিশ্বাসীসকলক সাজু কৰা)।*

*৪। **উদগোৱা** (উৎসাহ দিয়া আৰু শুধৰোৱা)।*

*৫। **দানশীলতাৰে দিয়া।***

*৬। **যত্নৰে শাসন কৰা** (বিশ্বাসীসকলক মিলেৰে কাম কৰোৱা)।*

*৭। **হৰ্ষিত মনেৰে দয়া কৰা।***

১ কৰিন্থীয়া ১২ অধ্যায়ত দেখুওৱাইছে কেনেকৈ এক শৰীৰ স্বৰূপে মিলেৰে বিভিন্ন বৰ বিলাক ব্যৱহাৰ কৰিব পাৰি। **১ কৰিন্থীয়া ১২:৮-১০** আৰু **২৮** পদত আৰু অনেক বৰৰ তালিকা দিয়া আছে ঃ

> "তাতে আত্মাৰ দ্বাৰাই এজনক বুদ্ধিৰ কথা, একে আত্মাৰ ইচ্ছা অনুসাৰে আন জনক জ্ঞানৰ কথা, একে আত্মাৰে আন জনক বিশ্বাস দিয়া হৈছে। সেই একে আত্মাৰ দ্বাৰাই কোনোক সুস্থ কৰিব পৰা বৰ, আন কোনোক পৰাক্ৰম কাৰ্য্য সাধন কৰিবৰ, আন কোনোক ভাববাণী কবৰ, আন কোনোক আত্মাবিলাক চিনিবৰ, আন কোনোক নানা বিধ ভাষা কবৰ আৰু আন কোনোক নানা ভাষাৰ অৰ্থ প্ৰকাশ কৰিবৰ শক্তিৰূপ বৰ দিয়া হৈছে।" ১ কৰিন্থীয়া ১২:৮-১০)।
>
> "আৰু ঈশ্বৰে মণ্ডলীত প্ৰথমতে পাঁচনিবিলাকক, দ্বিতীয়তে ভাববাদী সকলক তৃতীয়তে উপদেশক বিলাকক স্থাপন কৰিলে, তাৰ পাছত পৰাক্ৰম কাৰ্য্যবোৰ, তাৰ পাছত সুস্থ কৰিব পৰা বৰ, উপকাৰ, শাসন পদ, আৰু নানা ভাষা দিলে।" (১২:২৮)।

*(উত্তৰ ঃ আন আত্মিক, ভাববাণীৰ বৰবোৰ ১ কৰিন্থীয়া ১২ অধ্যায়ত দিয়া আছে, সেইবোৰ হৈছে*

**বুদ্ধিৰ বাক্য** (ঈশ্বৰৰ সত্যতা খটুৱাবলৈ আনক সহায় কৰা)।

**জ্ঞানৰ বাক্য** (ঈশ্বৰৰ বাক্য বুজাত আনক সহায় কৰা)।

**পৰভাষা** (এক নুবুজা ভাষাৰে প্ৰাৰ্থনা, গীত আৰু ভাববাণী কোৱা)।

**ভাষাৰ অৰ্থ প্ৰকাশ** (আনৰ ভাষাৰ অৰ্থ ব্যাখা কৰা)।

পৰিচৰ্য্যাৰ আন বৰবিলাক ১ কৰিন্থীয়া ১২ অধ্যায়ত এইদৰে দিয়া আছে ঃ

**বিশ্বাস** (দৃঢ় বিশ্বাস যে ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাবোৰ ৰাখিব)

**সুস্থ কৰা** (ৰোগীসকলৰ আৰোগ্যতাৰ কাৰণে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰা)

**আচৰিত কাৰ্য্য** (প্ৰাৰ্থনা কৰক যেন ঈশ্বৰে লোকবিলাকৰ প্ৰয়োজনীয়তা যোগাব)

**আত্মাবিলাক চিনিপোৱা** (বেয়া আত্মাবোৰক চিনি পোৱা আৰু সেইবোৰ উদ্ভৱ কৰা প্ৰতাৰণা কৰা আত্মাৰ ভাববোৰ)

**শাসন কৰা** (কামবোৰ চোৱা চিতা কৰা সকলো বিষয়বোৰ চলোৱা)

কিছুমান কোৱা আৰু পৰিচৰ্য্যাৰ বৰবিলাক একে ধৰণৰ নহয়, আৰু এইয়ে মানুহবিলাকে বিশ্বাস কৰাত ঈশ্বৰৰ শক্তিৰ চিনৰূপে কাৰ্য্য কৰে। এনেবোৰ চিনে পৰভাষা কোৱা বৰক বুজায় (১ কৰিন্থীয়া ১৪:২২), পৰভাষাৰ অৰ্থ প্ৰকাশ কৰা, সুস্থ কৰা আৰু অনেক আচৰিত কাৰ্য্য।

নতুন নিয়মত যদিও এইবোৰক আত্মিক বৰ ৰূপে স্পষ্টকৈ চিনাক্ত কৰা হোৱা নাই, তথাপি কিছুমানে শিক্ষকে এইবিলাককো বৰ বুলি কৈছে ঃ

**বিয়া নকৰোৱা মানুহ** (মথি ১৯:১০)

**বিবাহ** (১ কৰিন্থীয়া ৭:৭)

**অতিথি সেৱা** (ৰোমীয়া ১২:১৩)

**ধৰ্মাৰ্থে জীৱন উৎসৰ্গ** (শুভবাৰ্ত্তাৰ কাৰণে মৃত্যু হোৱাৰ অনুগ্ৰহ, প্ৰকাশিত বাক্য ২০:৪)

শেষত, ঈশ্বৰৰ বৰবোৰ আমি তিনিটা **সাধাৰণ ভাগত** বিভক্ত কৰিব পাৰো ঃ

ঈশ্বৰৰ বাক্য **কোৱাত** বিশ্বাসীসকলে সহায় পোৱা বৰ।

ঈশ্বৰৰ পৰা শক্তিৰে **পৰিচৰ্য্যা** কৰিবলৈ বিশ্বাসীসকলে সহায় পোৱা বৰ।

**চিনবোৰৰ** বৰ যি ঈশ্বৰৰ আশ্চৰ্য্যজনক ক্ষমতা প্ৰকাশ কৰে আৰু লোকবিলাকক বিশ্বাস কৰিবলৈ সহায় কৰে।

**পৰীক্ষা কৰি চাওঁক ঃ** ওপৰত উল্লেখ কৰা কোন তিনিটা ভাগৰ লগত তলত উল্লেখ কৰা বৰ বিলাক সাধাৰণতে মিলে?

১। শিক্ষা দিয়া।

২। দয়া দেখুওৱা।

৩। সহায় কৰা।

৪। উদগোৱা।

৫। পৰভাষা

৬। অতিথি সেৱা।

*(উত্তৰ ঃ ১) কথা কোৱা, ২) পৰিচৰ্য্যা, ৩) কাৰ্য্য কৰা, ৪) কথা কোৱা, ৫) চিন (১ কৰিন্থীয়া ১৪:২২), ৬) কাম কৰা।)*

তেওঁৰ বাক্যত উল্লেখ কৰা আত্মিক বৰবোৰৰ **উপৰিও**, যেতিয়া অসাধাৰণ বিষয়বোৰত বিশেষ প্ৰয়োজন হয়, তেতিয়া ঈশ্বৰে আন বৰবিলাকো দিব পাৰে।

**২। আত্মিক বৰৰ সাধাৰণ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ প্ৰস্তুত হওঁক।**

আপুনি যদি নাজানে, তেনেহলে অনুগ্ৰহ কৰি এই প্ৰশ্নবোৰৰ উত্তৰ আপোনাৰ বাইবেলত বিচাৰি উলিয়াওঁক।

| সাধাৰণ প্ৰশ্নবোৰ আৰু ভূল বুজা কথা | উত্তৰবোৰ বিচাৰক |
|---|---|
| সকলো বিশ্বাসীৰ ঈশ্বৰৰ পৰা এক আত্মিক বৰ দান আছেনে? | ৰোমীয়া ১২:৬ |
| এটাতকৈ অধিক বৰ এজন বিশ্বাসীৰ হব পাৰেনে? | পাঁচনিৰ কৰ্ম্ম ৬:৩,৮,১০ |
| কোন বিশ্বাসীক কি বৰ দিব ঈশ্বৰে কেনেকৈ সিদ্ধান্ত কৰে? | ১ কৰিন্থীয়া ১২:১১ |
| কৰিন্থ নিবাসী সকললৈ লিখা, পাঁচনি পৌল, প্ৰতিজন বিশ্বাসীয়ে পৰভাষা কোৱা ইচ্ছা কৰিছিলনে? | ১ কৰিন্থীয়া ১২:৩০ |
| ওপৰত উল্লেখ কৰা কোন বৰবিলাক অথবা গুণবিলাক বৃদ্ধসকলৰ নিমিত্তে প্ৰয়োজন? | ১ তীমথিয় ৩:২ |
| বাইবেলৰ দায়িত্ববিলাক পূৰ্ণ কৰা ডিকন সকলৰ কোন বৰবিলাক হোৱা উচিত? | পাঁচনিৰ কৰ্ম্ম ৬:১-৬ |
| আমি মহৎ আত্মিক বৰ বিচৰা উচিতনে? | ১ কৰিন্থীয়া ১২:৩১ |
| কৰিন্থৰ বিশ্বাসীসকলক কোন মহান আত্মিক বৰ ব্যৱহাৰ কৰিবলৈ পৌলে অনুৰোধ কৰিছিল? | ১ কৰিন্থীয়া ১৪:১-৪ |
| নতুন নিয়মত ভাববাণী প্ৰচাৰৰ তিনিদফীয়া উদ্দেশ্য কি? | ১ কৰিন্থীয়া ১৪:৩ |
| যিকোনো আত্মিক বৰতকৈ কি অতি গুৰুত্বপূৰ্ণ | ১ কৰিন্থীয়া ১৩ অধ্যায় |

*(উত্তৰবোৰ*

*১) হয়।*
*২) হয়।*
*৩) তেওঁৰ পবিত্ৰ আত্মাৰে*
*৪) নহয়। দিয়াত ব্যৱহাৰ কৰা হয়।*
*৫) অতিথি সেৱা আৰু শিকোৱা*
*৬) পৰিচৰ্য্যা অথবা সহায় কৰা*
*৭) হয়।*
*৮) ভাববাণী, যদিহে ইয়াক বৃদ্ধি,উদগোৱা আৰু শান্তনা*
*৯) বৃদ্ধি,উদগোৱা আৰু শান্তনা*
*১০) প্ৰেম।)*

**৩। বিভিন্ন আত্মিক বৰ বিলাকৰ বিশেষ উদ্দেশ্যবোৰ পূৰ্ণ কৰিব বিচৰা।**

সকলো বিশ্বাসীকে ঈশ্বৰে আত্মিক বৰদান দিছে। বিশ্বাসীসকলে তেওঁলোকৰ বৰ দানবোৰ কি তাক জনাতকৈ পৰস্পৰে প্ৰেমেৰে পৰিচৰ্য্যা কৰাহে অতি দৰ্কাৰী (ৰোমীয়া ১২ অধ্যায়)। কিছুমান বিশ্বাসী মণ্ডলীত প্ৰশিক্ষক হয়। কোনোৱে কাৰ্য্যকৰী ভাবে ঈশ্বৰৰ বাক্য কয়, আন কোনোৱে লোকবিলাকৰ কাৰিকৰী প্ৰয়োজনবোৰ পৰিচৰ্য্যা কৰে, আৰু আন কোনোৱে পৰাক্ৰম কাৰ্য্য কৰে।

ক) প্ৰত্যেক বিধ বৰৰ উদ্দেশ্য আছে।

***কথা কোৱা বৰ*** ("ভাববাণী") লোকবিলাকক বিশ্বাস আৰু বাধ্য হোৱাত সহায় হবলৈ ঈশ্বৰৰ সত্যতা কোৱা।

**শিক্ষা দিয়া।** ঈশ্বৰৰ বাক্যৰ পালন কেনেকৈ কৰিব শিক্ষকে লোকবিলাকক বুজাই দিয়া।

**উদগোৱা।** উদগোৱা জনে উৎসাহ দিয়ে, শক্তিশালী কৰি গঢ়ি তোলে।

**বিশ্বাস।** এই বৰে বিশ্বাস কৰাত অনুপ্ৰাণিত কৰে আৰু লোকবিলাকে আগবাঢ়ি যোৱাত ঈশ্বৰে তেওঁৰ মণ্ডলীয়ে কি কৰিব তাত সহায় কৰাৰ এটা দৰ্শন।

***পৰিচৰ্য্যা বৰ ঃ*** (পৰিচৰ্য্যা ঈশ্বৰৰ শক্তিৰে লোকবিলাকক দয়া প্ৰদৰ্শন কৰা।

মুক্তহস্তে **দান কৰা**। দিওঁতাই আনৰ জাগতিক প্ৰয়োজনীয়তা যোগায়।

**চলোৱা** আৰু **প্ৰশাসন**, একেলগে কাম কৰাত চলাওঁতাবিলাকে সহায় কৰে।

**দয়া** দেখুউৱা, দয়ালু লোকে আনৰ প্ৰয়োজনীয়তা কাৰ্য্য কৰি সহায় কৰে।

***চিনৰ বৰবিলাক ঃ*** (পৰাক্ৰম কাৰ্য্য) হৈছে লোকবিলাকে ঈশ্বৰৰ শক্তি দেখুওৱা যেন তেওঁলোকৰ বিশ্বাস কৰাত সহায় হয়।

**ভাল বেয়া বিচাৰ কৰা আত্মা ঃ** সত্য আৰু ভূলৰ পাৰ্থক্য বুজা।

**সুস্থ কৰা ঃ** সুস্থকাৰীয়ে লোকবিলাকলৈ শাৰীৰিক উদ্বেগপূৰ্ণ স্বাস্থ্য অনা।

**পৰভাষা আৰু পৰভাষাৰ ভাঙনি।** কিছুমান মানুহে তেওঁলোকে নুবুজা ভাষাৰে কথা কয় অথবা প্ৰাৰ্থনা কৰে। আৰু যদিহে তেওঁলোকে আন এদল মানুহৰ বাবে কয়, আন লোকে সেই ভাষা তেওঁলোকে বুজা ভাষালৈ তৰ্জ্জমা কৰিব লগা হয়।

**ভাববাণী।** ভাববাণী যদিও কোৱা হয়, ই বিশ্বাসী সকলৰ বাবে এক চিন হয় (১ কৰিন্থীয়া ১২:২২)

খ) বৰপ্ৰাপ্ত প্ৰতিজন লোকে কাম কৰিব লাগে।

কথা কোৱা ব্যক্তিসকল

**ভৰিষ্যত বক্তা।** ভৰিষ্যত বক্তাসকলে লোকবিলাকক বিশ্বাসলৈ চলাই নিয়া বাৰ্ত্তা ঘোষণা কৰে।

**শুভবাৰ্ত্তা প্ৰচাৰক।** শুভবাৰ্ত্তা প্ৰচাৰকে যীচুৰ শুভবাৰ্ত্তা বিশদভাৱে বৰ্ণনা কৰে।

**শিক্ষক।** যীচুৰ আজ্ঞা কেনেকৈ পালন কৰিব লাগে শিক্ষকে নিৰ্দ্দেশ দিয়ে।

পৰিচৰ্য্যা কৰা ব্যক্তি

**পাঁচনিবিলাক।** নতুন মণ্ডলী গঠন কৰিবলৈ আৰু তেওঁলোকৰ চলাওঁতাক প্ৰশিক্ষণ দিবলৈ পাঁচনিবিলাকক আন ঠাইলৈ পঠোৱা হয়।

**পালক।** মণ্ডলীক আৰু সৰু গোটবোৰক পালকে চলায় আৰু প্ৰতিপালন কৰে।

গ) প্ৰতিজন বিশ্বাসীয়ে তেওঁলোকৰ বৰবিলাক ব্যৱহাৰ কৰাত চলাওঁতাই সহায় কৰিব লাগে।

লোকবিলাকে সৰু সৰু গোটৰ পৰিচৰ্য্যা কৰোঁতে আত্মিক বৰবিলাক স্পষ্ট হব আৰু আন লোকে ইয়াক চিনি পাব। নতুন বিশ্বাসীসকলৰ পৰিচৰ্য্যাত বাধা নিদিব।

পৰস্পৰৰ পৰিচৰ্য্যা কৰিবলৈ আটাই বিশ্বাসীসকলক সুবিধা দিয়ক। সৰু গোটবোৰত এনে কৰা সহজ। কেৱল বুদ্ধিমান লোকৰ কথা শুনি পবিত্ৰ আত্মাৰ কাম সীমিত নকৰিব।

তেওঁলোকৰ আত্মাৰ বৰ বিলাক ব্যৱহাৰ কৰোঁতে বিশ্বাসীসকলক সোঁৱৰাই দিব যেন লোকবিলাকৰ প্ৰতি তেওঁলোকৰ প্ৰেম থকা উচিত। বিশ্বাসীসকল যদি খঙাল আৰু মৰমিয়াল নহয়, তেওঁলোকৰ বৰে লোকবিলাকক অপকাৰ কৰিব পাৰে।

আত্মিক বৰ অনুযায়ী লোকবিলাকে মণ্ডলীৰ আৰু সৰু গোটবোৰৰ দায়িত্ব লব পাৰে। যি কামৰ বাবে লোকবিলাক বৰপ্ৰাপ্ত নহয় তেনে কাম তেওঁলোকক নিদিব।

বৃদ্ধলোকৰ কথা কবৰ আৰু ডিকন সকলৰ পৰিচৰ্য্যাৰ বৰ থকা উচিত।

সৰু গোটবোৰ আৰু পৰিচৰ্য্যাৰ দলত পবিত্ৰ আত্মাই মিলাব পৰা বিভিন্ন বৰপ্ৰাপ্ত সভ্য-সভ্যা সকল থকা উচিত। একে বৰ থকা লোকক একেলগে ৰখাৰ পৰা বিৰত থাকিব।

ঈশ্বৰে দিয়া বৰ বিলাক বিচাৰি পাবলৈ বিশ্বাসীসকলক সহায় কৰিব আৰু বাইবেলত উল্লেখ কৰা ঈশ্বৰৰ বৰপ্ৰাপ্ত লোকৰ লগত নিজকে তুলনা কৰিবলৈ দিয়ক। বাইবেলৰ চৰিত্ৰ যাৰ দক্ষতা আৰু গুণবোৰ তেওঁলোকে অনুকৰণ কৰিব বিচাৰে তাত তেওঁলোকক সহায় কৰক। তেওঁলোকৰ কাহিনীবোৰ বিশ্বাসীসকলক কওঁক আৰু কাৰ লগত তেওঁলোকৰ মিল আছে আৰু কিয় সেই কথা চিনাক্ত কৰিবলৈ কওঁক। তলত কেইটামান উদাহৰণ দিয়া হ'ল ঃ

## বাইবেলৰ আৰ্হিবোৰ

কাৰ্য্য কৰা **পৰিচৰ্য্যা,** যিৰূচালেমৰ চাৰিওফালৰ গড় পুনৰ নিৰ্ম্মান কৰাত ওলাই অহা বিলাকৰ দৰে ঃ নহিমিয়া ৩ অধ্যায় আৰু ৬:১৫-১৬। (আপুনি নিজকে তেওঁলোকৰ দৰে ভাবেনে?)

**দিয়া,** দায়ূদৰ প্ৰয়োজন থকা লোকক অবিগেলে মুক্তহস্তে দিয়াৰ দৰে, ১ চমূৱেল ২৫। (১ কৰিন্থীয়া ৯ অধ্যায়ত, দিয়া নিৰ্দ্দেশাৱলী চাওঁক)।

**উৎসাহ** (উদগোৰা) পাঁচনিৰ কৰ্ম্ম ২০:১৭-৩৮ ইফিচৰ বৃদ্ধলোকক পৌলে কৰাৰ দৰে।

**দয়া দেখুওৱা,** লূক ১০:৩০-৩৫ দিয়া দয়ালু চমৰিয়াৰ দৰে। বৰ বিলাক ব্যৱহাৰৰ নিৰ্দেশাৱলী চাওঁক মথি ২৫:৩১-৪৬ আৰু পাঁচনিৰ কৰ্ম্ম ৬:১-৭ পদত চাওক।

**ভাববাণী,** যিৰিমিয়াই উত্তেজনাপূৰ্ণ বাৰ্ত্তাৰে, ঈশ্বৰৰ লোকক তেওঁলৈ উলটি আহিবলৈ কোৱা দৰে, যিৰিমিয়া ১ অধ্যায়। এই বৰৰ উদ্দেশ্য নতুন নিয়মৰ ১ কৰিন্থীয়া ১৪:৩-৪ পদত চাওঁক।

**শিকাওক,** নহিমিয়া ৮ অধ্যায়ত লোকবিলাকক ইজ্ৰাই ঈশ্বৰৰ বিধান ব্যাখা কৰাৰ দৰে। শিকোৱাৰ প্ৰকৃত উদ্দেশ্যৰ বাবে ইফিচীয়া ৪:১১-১৬ চাওক।

**চলাই নিয়ক,** (দাসৰ নেতৃত্ব) মোচিয়ে পৰিচৰ্য্যা কৰাত আনক সহায় কৰা, আৰু যিহোচুৱাই তেওঁৰ সেনা বিলাকৰ লগত কৰাৰ দৰে ঃ যাত্ৰাপুস্তক ১৮:১৩-২৬ আৰু যিহোচুৱা ৪-৬ অধ্যায়।

**জ্ঞানেৰে** পৰামৰ্শ দিয়ক, ১ ৰাজাৱলি ৩ অধ্যায়ত চলোমনে কৰাৰ দৰে।

**বিচাৰ বুদ্ধি,** নহিমিয়াই গড় পৰীক্ষা কৰি চোৱা, আচল ঘটনাত কাৰ্য্য কৰা, অথবা বিৰয়া নগৰৰ লোকবিলাকৰ কথাত, নহিমিয়া ১:১১-২০; পাঁচনিৰ কৰ্ম্ম ১৭:১০-১২।

**সহায় কৰক,** আক্বিলা আৰু প্ৰিস্কিলাই পৌল আৰু আপ্পলোৰ নিমিত্তে কৰাৰ দৰে (পাঃ কৰ্ম্ম ১৮:১-৫, ২৪-২৮)।

**পাঁচনি** ৰূপ যাওক (‘পঠোৱা জন’ অথবা মিশ্যনেৰী) যিদৰে পানীৰ ভিতৰত যোনাই প্ৰশিক্ষণ পোৱা, পৌল আৰু বাৰ্ণব্বাৰ দৰে (পাঃ কৰ্ম্ম ১৩-১৪ অধ্যায়)। ৰোমীয়া ৫:২০-২১ পদত পৌলৰ প্ৰধান মিশ্যনেৰী পৰিচালনাৰ মূলসূত্ৰ চাওক।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.